Date:
Page No.

অসমীয়া খবৰ - ৩১/৭

# জন্মৰ ভুৱা প্ৰমাণপত্ৰৰে এনআৰচিত অন্তৰ্ভুক্তিৰ চক্ৰান্ত

## ৭ দিনৰ ভিতৰত একচন প্লেন দাখিল কৰিবলৈ চৰকাৰ, এনআৰচি কৰ্তৃপক্ষক নিৰ্দেশ উচ্চ ন্যায়ালয়ৰ

ষ্টাফ ৰিপৰ্টাৰ, ৩০ জুলাই ঃ চৰকাৰী পৃষ্ঠপোষকতাতেই ক্ৰমশঃ অবৈধ বাংলাদেশীৰ চৰণীয়া পথাৰলৈ পৰিণত অসমত এতিয়া ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণক লৈয়ো একাংশই চলাইছে ভয়াৱহ ষড়যন্ত্ৰ। সৰ্বোচ্চ ন্যায়ালয়ে অতি গুৰুত্ব সহকাৰে পৰ্যবেক্ষণ কৰি থকাৰ পাছতো এন আৰ চিক বাধাগ্ৰস্ত কৰিবলৈ এটা চক্ৰ তৎপৰ হৈ থকাৰ বিপৰীতে ভোটৰ অংকত বাংলাদেশীক এন আৰ চিত অন্তৰ্ভুক্তকৰণৰ চেষ্টা চলাই আছে স্বয়ং ৰাজ্য চৰকাৰখনেই। অতি শেহতীয়াকৈ উচ্চ ন্যায়ালয়ৰ মজিয়াত ভুৱা প্ৰমাণপত্ৰ প্ৰদান কৰা এক বৃহৎ চক্ৰৰ ষড়যন্ত্ৰ উন্মোচিত হোৱাৰ পাছত এন আৰ চিৰ বিষয়টোত অধিক সতৰ্ক শেষাংশ ৬ পৃষ্ঠাত

## জন্মৰ ভুৱা প্ৰমাণপত্ৰৰে এনআৰচিত অন্তৰ্ভুক্তিৰ চক্ৰান্ত

হ'বলৈ ৰাজ্য চৰকাৰক সাৱধানবাণী শুনাইছে উচ্চ ন্যায়ালয়ে। এন আৰ চি উন্নীতকৰণৰ দৰে এটা ঐতিহাসিক প্ৰক্ৰিয়া চলি থকাৰ সময়তে ৰাজ্যত সক্ৰিয় হৈ পৰা জন্মৰ প্ৰমাণপত্ৰ প্ৰদান কৰা দালাল চক্ৰৰ দপ্‌দপনি আৰু এন আৰ চিত এই দালাল চক্ৰৰ বিধি-পথালি দৃষ্টিগোচৰ হোৱাত ক্ষুব্ধ হৈ পৰা উচ্চ ন্যায়ালয়ে সমগ্ৰ প্ৰক্ৰিয়াটোক লৈ চিন্তান্বিত হৈ পৰে। মূলতঃ ৰাজ্যত অবাধ পয়োভৰ ঘটা ভুৱা প্ৰমাণপত্ৰৰে এন আৰ চিত যাতে এজনো অবৈধ নাগৰিক অন্তৰ্ভুক্ত হ'ব নোৱাৰে তাক নিশ্চিত কৰিবলৈ অসম আৰক্ষী তথা এন আৰ চি কৰ্তৃপক্ষলৈ কঠোৰ নিৰ্দেশ জাৰি কৰাৰ উপৰি ৭ দিনৰ ভিতৰত এই সন্দৰ্ভত এখন 'একচন প্লেন' দাখিলৰো নিৰ্দেশ জাৰি কৰে উচ্চ ন্যায়ালয়ে। নজৰুল হক ওৰফে মহম্মদ নজৰুল ইছলাম নামৰ এগৰাকী সন্দেহযুক্ত নাগৰিকে দাখিল কৰা ৩৬৬০/১৫ নম্বৰৰ এখন লেখ আবেদনৰ চূড়ান্ত ৰায় প্ৰদান কৰি ২৯ জুলাইত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ বিচাৰপীঠে জাৰি কৰে এই গুৰুত্বপূৰ্ণ নিৰ্দেশ। স্মৰ্তব্য যে নজৰুল হকক ২০১০ চনত ধুবুৰীৰ বিদেশী ন্যায়াধীকৰণে বিদেশী হিচাপে চিনাক্ত কৰিছিল যদিও নজৰুলে এই নিৰ্দেশক প্ৰত্যাহ্বান জনাই জন্মগতভাৱে ভাৰতীয় বুলি দাবী কৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। কিন্তু উচ্চ ন্যায়ালয়ত নজৰুলে নিজৰ জন্মৰ প্ৰমাণপত্ৰ দাখিল কৰাৰ পাছতেই ওলাই পৰে জোলোঙাৰ মেকুৰী। নজৰুলে দাখিল কৰা জন্ম পঞ্জীয়নপত্ৰত ১৯৮১ চনৰ ২৮ এপ্ৰিল হিচাপে জন্মৰ তাৰিখ উল্লেখ আছে যদিও উক্ত প্ৰমাণপত্ৰ নজৰুলৰ বয়সৰ হিচাপত সম্পূৰ্ণ ৩১ বছৰৰ পাছত অৰ্থাৎ ২০১২ চনত পঞ্জীয়ন কৰা হৈছে। জন্মৰ এবছৰলৈকেহে জন্মৰ প্ৰমাণপত্ৰ পঞ্জীয়নৰ নিয়ম আছে যদিও এই নিয়ম উলংঘা কৰাৰ বিষয়টো উন্মোচন হোৱাৰ লগতে যিগৰাকী ব্যক্তিয়ে উক্ত প্ৰমাণপত্ৰ প্ৰদান কৰিছিল সেই ব্যক্তিৰ কৰ্তৃত্বহীনতাও আদালতৰ মজিয়াত উন্মোচিত কৰিছে খোদ উক্ত জন্ম-মৃত্যু পঞ্জীয়ন বিভাগৰ চৰকাৰী বিষয়াই। তথ্য অনুসৰি নজৰুলৰ জন্ম পঞ্জীয়নপত্ৰ প্ৰস্তুত কৰিছিল ধুবুৰীৰ গজাৰিকান্দিৰ জন্ম-মৃত্যু পঞ্জীয়ন কাৰ্যালয়ৰ উচ্চবৰ্গ সহায়ক আনোৱাৰ হুছেইনে। উক্ত প্ৰমাণপত্ৰত স্বয়ং আনোৱাৰ হুছেইনে পূৰ্বৰ পঞ্জীয়ক ড° মিৰ ইমান হুছেইনৰ চহী জাল কৰি ব্যৱহাৰ কৰিছিল আৰু এই কথা খোদ বিভাগীয় তদন্তত পোহৰলৈ অহাত গজাৰিকান্দি ব্লক পি এইচ চিৰ জন্ম-মৃত্যু পঞ্জীয়ক ড° মহম্মদ চিৰাজুল ইছলামে এই সমগ্ৰ তথ্য আদালতত দাখিল কৰে। পঞ্জীয়কগৰাকীয়ে সোঁশৰীৰে আদালতৰ মজিয়াত হাজিৰ হৈ দাখিল কৰা প্ৰতিবেদনত উল্লেখ থকা অনুসৰি জাল প্ৰমাণপত্ৰ প্ৰস্তুত কৰা আনোৱাৰ হুছেইন সম্প্ৰতি পলাতক। উচ্চ ন্যায়ালয়েও জামিন নামঞ্জুৰ কৰা আনোৱাৰ হুছেইনক গ্ৰেপ্তাৰৰ বাবে ইতিমধ্যে যোৱা ২ মে'তেই গোচৰ ৰুজু কৰা হৈছে মানকাচৰ আৰক্ষী থানাত। উক্ত প্ৰতিবেদনত জাল প্ৰমাণপত্ৰ প্ৰদান কৰা এক বৃহৎ চক্ৰৰ তথ্য উন্মোচিত হৈছে য'ত আনোৱাৰৰ সৈতে জড়িত জইনাল হক, নুৰুল ইছলাম, হাছান এছকে, হাফিজুৰ ৰহমানসহ দালাল চক্ৰটোৱে কেৱল উক্ত অঞ্চলটোতেই কেইবাশতাধিক ভুৱা প্ৰমাণপত্ৰ প্ৰদান কৰা বুলিও উল্লেখ কৰা হৈছে। আদালতৰ মজিয়াত এই প্ৰমাণ জাল আৰু ভুৱা কাৰ্যকলাপৰ পৰিণতি বুলি উন্মোচিত হোৱাৰ পাছতেই সমগ্ৰ বিষয়টো অতি গুৰুতৰ আৰু গৰ্হিত বুলি বিবেচনা কৰিছে উচ্চ ন্যায়ালয়ে। এন আৰ চি উন্নীতকৰণৰ প্ৰক্ৰিয়া তীব্ৰগতিত চলি থকা সময়ত এনে ভুৱা প্ৰমাণপত্ৰৰে অতি সহজে বিদেশী ভাৰতীয় হৈ এন আৰ চিত অন্তৰ্ভুক্ত হ'ব পাৰিব বুলি আক্ষেপ প্ৰকাশ কৰি উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ আয়ুক্ত আৰু সচিব তথা আৰক্ষী সঞ্চালকপ্ৰধানক বিষয়টোৰ গুৰুত্ব বুজি তৎকালীনভাৱে হস্তক্ষেপ কৰাৰ নিৰ্দেশ দিছে। এইক্ষেত্ৰত এন আৰ চিৰ কৰ্তৃপক্ষকো জাল প্ৰমাণপত্ৰৰে যাতে কোনো বিদেশী অন্তৰ্ভুক্ত হ'ব নোৱাৰে তাক নিশ্চিত কৰাৰ লগতে এই সন্দৰ্ভত প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰাৰো নিৰ্দেশ দিয়ে ন্যায়ালয়ে। আনকি আবেদন দাখিল কৰা সন্দেহযুক্ত নাগৰিকজনকো তৎকালীনভাৱে গ্ৰেপ্তাৰৰ নিৰ্দেশ দি ন্যায়ালয়ে ৰাজ্য চৰকাৰ আৰু আৰক্ষী সঞ্চালকপ্ৰধানক গুৰুতৰ বিষয়টো নিয়ন্ত্ৰণ কৰাৰ বাবে অহা ৪ আগষ্টত এখন একচন প্লেন দাখিলৰ নিৰ্দেশ দিয়ে। ইতিমধ্যে ২০১৬ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি সন্দেহযুক্ত নাগৰিকক ভোটাধিকাৰ দিয়াৰ দাবী জনোৱা নিৰ্লজ্জ ৰাজ্য চৰকাৰখনে উচ্চ ন্যায়ালয়ৰ এই নিৰ্দেশ কিদৰে পালন কৰে সেয়া নিশ্চিত নহয় যদিও এন আৰ চি উন্নীতকৰণৰ সময়তে ৰাজ্যত জাল তথ্য-পাতিৰে যে একাংশ বিদেশীয়ে ভাৰতীয় হোৱাৰ চক্ৰান্ত ৰচিছে তাকে লৈ ন্যায়পালিকা যথেষ্ট চিন্তিত হৈ পৰিছে।